# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 31-08-2024
**Time :** 18-00 Hrs.

***Assamese Evening Bulletin***

:::::: :::::: :::::: ::::::

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, সমাজত মহিলাৰ বিৰুদ্ধে হোৱা অপৰাধ আৰু শিশুৰ সুৰক্ষা চিন্তানীয় বিষয় হৈ পৰিছে। তেওঁ কয় যে, মহিলাৰ সুৰক্ষাৰ বাবে দেশত বহুতো কঠোৰ আইন প্ৰণয়ন কৰা হৈছে, কিন্তু সম্প্ৰতি এই আইনসমূহ অধিক সক্ৰিয় কৰি তোলাৰ প্ৰয়োজন হৈছে। শ্ৰী মোদীয়ে নাৰী নিৰ্যাতনৰ গোচৰৰ বিচাৰ প্ৰক্ৰিয়া দ্ৰুত হোৱাত গুৰুত্ব দি কয় যে, তেতিয়াহে মহিলাৰ সুৰক্ষা নিশ্চিত হৈ উঠিব। প্ৰধানমন্ত্ৰীয়ে নতুন দিল্লীৰ ভাৰত মণ্ডপমত অনুষ্ঠিত দুদিনীয়া ৰাষ্ট্ৰীয় জিলা ন্যায়িক সমাৰোহ উদ্বোধন কৰি দিয়া ভাষণত আজি এই দৰে কয়।

প্ৰধানমন্ত্ৰীয়ে কয় যে, সৰ্বোচ্চ ন্যায়ালয়ৰ ৭৫ বছৰ পূৰ্তিয়ে গণতন্ত্ৰৰ মাতৃ হিচাপে ভাৰতৰ গৌৰৱকে প্ৰতিফলিত কৰিছে। সৰ্বোচ্চ ন্যায়ালয়ৰ ৭৫ বছৰীয়া ইতিহাসক ভাৰতৰ সংবিধান আৰু সাংবিধানিক প্ৰমূল্যৰ পৱিত্ৰ যাত্ৰা হিচাপে শ্ৰী মোদীয়ে অভিহিত কৰে। তেওঁ কয় যে, এই যাত্ৰা হৈছে গণতন্ত্ৰ হিচাপে ভাৰত অধিক পৰিপক্ক হৈ উঠাৰ যাত্ৰা। দেশৰ জৰুৰীকালীন অৱস্থাৰ অন্ধকাৰ সময়তো আনকি সৰ্বোচ্চ ন্যায়ালয়ে দেশবাসীৰ মৌলিক অধিকাৰ সুৰক্ষিত কৰি ৰাখিছিল বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে, যেতিযাই ৰাষ্ট্ৰীয় স্বাৰ্থৰ ক্ষেত্ৰত প্ৰশ্ন উঠে, তেতিয়াই ন্যায়ালয়ে সদায় ৰাষ্ট্ৰীয় সংহতিৰ অতন্দ্ৰ প্ৰহৰী হিচাপে কাম কৰি আহিছে। তেওঁ কয় যে, ভাৰতবাসীয়ে কেতিয়াও কোনো কাৰণতে সৰ্বোচ্চ ন্যায়ালয় অথবা ভাৰতীয় ন্যায়িক ব্যৱস্থাৰ বিৰুদ্ধে প্ৰশ্ন উত্থাপন কৰা নাই। সেই বাবে সৰ্বোচ্চ ন্যায়ালয়ৰ ৭৫ বছৰ পূৰ্তিয়ে গণতন্ত্ৰৰ মাতৃ হিচাপে ভাৰতৰ গৌৰৱ উজ্বল কৰি তুলিছে বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে। তেওঁ কয় যে, সত্যমেৱ জয়তেৰ জৰিয়তে ন্যায়ালয়ে সাংস্কৃতিক বাৰ্তাও বহন কৰি আহিছে। ভাৰতীয় গণতন্ত্ৰত ন্যায়িক ব্যৱস্থাক সংবিধানৰ ৰক্ষক হিচাপে গণ্য কৰি অহা হৈছে বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয় য়ে, এয়া ন্যায়িক ব্যৱস্থাটোৰ ওপৰত অৰ্পিত বৃহৎ দায়িত্ব।

অনুষ্ঠানত অংশগ্ৰহণ কৰি দেশৰ মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড়ে কয় যে, চলিত বছৰৰ মাৰ্চত কচ্ছত অনুষ্ঠিত সদৌ ভাৰত জিলা ন্যায়াধীশ সমাৰোহৰ অংশ হিচাপে এই দুদিনীয়া সমাৰোহৰ আয়োজন কৰা হৈছে। তেওঁ কয় যে এই সমাৰোহত ভাৰতীয় আইন ব্যৱস্থাৰ ভৱিষ্যত সন্দৰ্ভত সুসংহত নীতি উদ্ভাৱনৰ বাবে জিলা ন্যায় ব্যৱস্থা আৰু অন্যান্য সকলৰ মাজত বিস্তৃত আলোচনা অনুষ্ঠিত হ'ব।

০০০০

মৰিগাঁও জিলাৰ চাৰণ বিলত আজি ৰাজ্য চৰকাৰৰ ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগে ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱসৰ লগত সংগতি ৰাখি আজি পৰম্পৰাগত নাওখেল প্ৰতিযোগিতা অনুষ্ঠিত কৰে। চাৰণ বিল কেন'য়িং আৰু কায়াকিং জলক্ৰীড়া ক্ষেত্ৰত অনুষ্ঠিত প্ৰতিযোগিতাখন মন্ত্ৰী নন্দিতা গাৰ্লোচাই উদ্বোধন কৰে। অনুষ্ঠানত ক্ৰীড়া বিভাগৰ উচ্চ পদস্থ বিষয়াসকলৰ লগতে মৰিগাঁও জিলা আয়ুক্ত দেৱাশীষ শৰ্মা উপস্থিত থাকে। দুটা শাখাত অনুষ্ঠিত নাওখেল প্ৰতিযোগিতাত মুঠ ১২টা দলে অংশগ্ৰহণ কৰে।

০০০

চৰাইদেউ জিলাৰ সোণাৰি পৌৰসভা এলেকাত অৱস্থিত সকলো দোকান, ব্যৱসায়িক প্ৰতিষ্ঠানত অসমীয়াত নামফলক ব্যৱহাৰ কৰিবলৈ সোণাৰি পৌৰসভাই নিৰ্দেশনা জাৰি কৰিছে। চৰাইদেউ জিলা ঐক্যমঞ্চই দিয়া স্মাৰক পত্ৰৰ প্ৰতি সন্মান জনাই সোণাৰি পৌৰসভাৰ কাৰ্যবাহী বিষয়াই অসমীয়াত নামফলক ব্যৱহাৰ কৰাতো বাধ্যতামূলক কৰিছে। জাৰি কৰা নিৰ্দেশ অনুযায়ী অহা ১০ ছেপ্তেম্বৰৰ ভিতৰত সকলো দোকান আৰু ব্যৱসায়িক প্ৰতিষ্ঠানৰ সন্মুখত অঁৰা নামফলকসমূহ অসমীয়াত লিখিবলৈ নিৰ্দেশ দিয়া হৈছে।

০০০

যোৰহাট জিলাত আইন শৃংখলা পৰিস্থিতি আৰু অপৰাধ তদন্ত বিষয়ক এখন পৰ্যালোচনা বৈঠক আজি যোৰহাট আৰক্ষী ছাউনীত অনুষ্ঠিত হয়। যোৰহাট আৰক্ষী অধীক্ষকৰ পৌৰহিত্যত অনুষ্ঠিত এই বৈঠকত আৰক্ষীসকলে সন্মুখীন হোৱা বিভিন্ন সমস্যাৰ বিষয়েও আলোচনা কৰা হয়। যোৱা মাহত পাৰদৰ্শিতা দেখুওৱা আৰক্ষীক এই বৈঠকত পুৰস্কাৰ আৰু মানপত্ৰ প্ৰদান কৰা হয়।

০০০০

গোলাঘাট জিলাত দুৰ্যোগ প্ৰশমন বিভাগৰ অন্তৰ্গত এটা জিলা জৰুৰীকালীন সেৱাকেন্দ্ৰ মুকলি কৰা হয়। গোলাঘাটৰ জিলা আয়ুক্ত ডা০ পি উদয় প্ৰবীণে কেন্দ্ৰটো মুকলি কৰে। অনাগত দিনত জিলাখনত দুৰ্যোগ প্ৰশমন, ক্ষীপ্ৰ যোগাযোগ তথা তাৎক্ষণিক সঁহাৰিৰ ক্ষেত্ৰত এই কেন্দ্ৰটোৱে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি জিলা আয়ুক্তগৰাকীয়ে প্ৰকাশ কৰে। উদ্বোধনী অনুষ্ঠানত উপস্থিত থকা অসম ৰাজ্যিক দুৰ্যোগ প্ৰশমন কৰ্তৃপক্ষৰ ৰাজ্যিক প্ৰকল্প সমন্বয়ক তথা উপ-সচিব অলকানন্দ মেধিয়ে এই জৰুৰীকালীন সেৱা কেন্দ্ৰই দুৰ্যোগৰ সময়ত জিলাবাসীক সেৱা আগবঢ়াব বুলি উল্লেখ কৰে।

০০০

পেৰিছত অনুষ্ঠিত পেৰালিম্পিকত ভাৰতৰ ৰুবিনা ফ্ৰান্সিছে মহিলাৰ ১০ মিটাৰ এয়াৰ ৰাইফল এছ এইচ ৱান শাখাৰ ফাইনেলত প্ৰৱেশ কৰিছে। আনহাতে ভাৰতীয় শ্বাটলাৰ সুকান্ত কদম বেডমিণ্টনৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিছে।

০০০

তিনিচুকীয়াৰ পেঙেৰীত আপাৰ দিহিং সংৰক্ষিত বনাঞ্চলত সেনা বাহিনী আৰু অসম আৰক্ষীৰ যুটীয়া অভিযানত এটা ৰাইফল, দুটা মেগজিন, গুলী আৰু বিস্ফোৰকসহ ভালেমান সামগ্ৰী জব্দ কৰা হৈছে। অস্ত্ৰ-শস্ত্ৰসমূহ উগ্ৰপন্থী আলফা স্বাধীনৰ বুলি আৰক্ষীৰ সূত্ৰই প্ৰকাশ কৰিছে। তিনিচুকীয়াৰ অতিৰিক্ত আৰক্ষী অধীক্ষক মৃন্ময় দাসৰ নেতৃত্বত শুকুৰবাৰে নিশা আপাৰ দিহিং সংৰক্ষিত বনাঞ্চলত চলা অভিযানত মাৰণাস্ত্ৰখিনি জব্দ কৰা হয়।

০০০

সমাপ্ত